**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**
**HEADLINES**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিধানসভা নিৰ্বাচনৰ বাবে কেইবাটাও সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল।

২। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে সমষ্টি সমষ্টি প্ৰাৰ্থীৰ প্ৰচাৰ অভিযান।

৩। দেশৰ নিৰ্বাচনী আয়োগে নিয়োগ কৰা পৰ্যবেক্ষকসকলৰ জিলাসমূহত দায়িত্ব গ্ৰহণ।

৪। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতত পৰৱৰ্তী শুনানি অহা ৩০ মাৰ্চত।
*আৰু*

৫। ৰমজান মাহৰ অন্তত কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকৰ ঈদ উল ফিটৰ উদযাপন।

০০০০০

ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি শাসকীয় বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে আজি মনোনয়ন দাখিল কৰে।

আজি জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হিচাপে মহা সমাৰোহেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত তেওঁৰ পৰিয়াল আৰু গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, বি চি চি আইৰ সচিব তথা ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিত শইকীয়া উপস্থিত থাকে। প্ৰতিকূল বতৰকো নেওচি ডঃ শৰ্মাৰ মনোনয়ন পত্ৰ দাখিলৰ সমদলত সমষ্টিৰ হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰে।

বাইট -মুখ্যমন্ত্ৰী

ওদালগুৰি জিলাৰ ৪ টা বিধানসভা সমনষ্টিত আজি ৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জিলাখনৰ ভেৰগাওঁ সমষ্টিৰ বি পি এফ প্ৰাৰ্থী মহেশ্বৰ বড়ো, ওদালগুৰি সমষ্টিৰ এন দি এৰ প্ৰাৰ্থী ৰিহন দৈমাৰী আৰু ইউ পি পি এলৰ প্ৰাৰ্থী দীপেন বড়োৱে মনোনয়ন দাখিল কৰে। মাজবাট সমষ্টিৰ এন দি এৰ প্ৰাৰ্থী চৰণ বড়োয়েও আজি ওদালগুৰি জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

গোলাঘাট বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী অজন্তা নেওগ আৰু সৰুপথাৰ সমষ্টিৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনে আজি গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বিজেপিৰ দুয়োগৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে গোলাঘাট জিলা বিজেপিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

গোৱালপাৰা জিলাৰ ৪ টা বিধানসভা সমষ্টিৰ আজি পূৱ গোৱালপাৰা সমষ্টিৰ এছ্ ইউ চি আই দলৰ প্ৰাৰ্থী মহিবুল ইছলাম আৰু দুধনৈ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী কিশোৰ কুমাৰ ব্ৰহ্মই মনোনয়ন পত্ৰ দাখিল কৰে।

দক্ষিণ শালমাৰা জিলাৰ একমাত্ৰ  মানকাচৰ বিধানসভা সমষ্টিত এছ্ ইউ চি আইৰ প্ৰাৰ্থী চাহিদুৰ আলমে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

**ডিব্ৰুগড়** সমষ্টিত বিজেপি প্ৰাৰ্থী প্ৰশান্ত ফুকনে আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত তেওঁ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংগ দিয়ে। ডিব্ৰুগড় সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী মাইনাক পাত্ৰ আৰু ভাৰত বিকাশ পাৰ্টীৰ কমল হাজৰিকাইও আজি মনোনয়ন পত্ৰ দাখিল কৰে। চাবুৱা-লাহোৱাল সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰে আজি মনোনয়ন পত্ৰ দাখিল কৰে। দুলিয়াজান সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি গগৈ, টিংখাং সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী বিপুল গগৈ আৰু নাহৰকটিয়া সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰণতি ফুকন আৰু নিৰ্দলীয় প্ৰাৰ্থী মহেন্দ্ৰ ভাদুমিয়াও আজি মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ খোৱাং সমষ্টিৰ অসম জাতীয় পৰিষদৰ সভাপতি তথা প্ৰাৰ্থী লুৰিণজ্যোতি গগৈও মনোনয়ন পত্ৰ দাখিল কৰে।

বাইট- লুৰিণ

যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী ড০ জ্ঞানশ্ৰী বৰাই আজি মনোনয়ন পত্ৰ দাখিল কৰে।

**মৰিগাওঁ** জিলাৰ ৩ টা বিধানসভা সমষ্টিৰ বাবে আজি ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। জাগীৰোড সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি মনোনয়ন পত্ৰ দাখিল কৰে। জাগীৰোড সমষ্টিৰ বহু লোকে শোভাযাত্ৰা কৰি মৰিগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ত হাজৰিকাৰ মনোনয়ন পত্ৰ দাখিল কৰে। মৰিগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰমাকান্ত দেউৰীয়ে মৰিগাওঁ আয়ুক্তৰ কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰে। লগতে লাহৰিঘাট সমষ্টিৰ এ আই ইউ দি এফ দলৰ প্ৰাৰ্থী চিদ্দিক আহমেদেও আজি মনোনয়ন পত্ৰ দাখিল কৰে।

শিৱসাগৰ সমষ্টিত আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত তেওঁক প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই সংগ দিয়ে। শিৱসাগৰ সমষ্টিৰ অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাইও কেইবাশ সমৰ্থকৰ উপস্থিতিত আজি মনোনয়নপত্ৰ দাখিল কৰে। শিৱসাগৰ জিলাৰ ডিমৌ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী অজয় গগৈ আৰু নাজিৰা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দেৱব্ৰত শইকীয়াইও আজি মনোনয়ন পত্ৰ দাখিল কৰে। শিৱসাগৰ জিলাৰ কংগ্ৰেছ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ লগতে কেইবাজনো জ্যেষ্ঠ কংগ্ৰেছ নেতা উপস্থিত থাকে।

**মাজুলী** সমষ্টিত আজি বিজেপি প্ৰাৰ্থী ভূবন গামে বহু সংখ্যক সমৰ্থকৰ উপস্থিতিত নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

ইপিনে, **নগাঁও-বটদ্ৰৱা** সমষ্টিত বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মা আৰু কংগ্ৰেছ প্ৰাৰ্থী ড০ দুৰ্লভ চমুৱাই মনোনয়ন পত্ৰ দাখিল কৰে। **বৰ্হমপুৰ** সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জিতু গোস্বামী, **ৰহা** সমষ্টিত বিজেপি প্ৰাৰ্থী শশীকান্ত দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

মটঙা চ'কৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ এক বিশাল সমদলেৰে তেওঁৰ মনোনয়ন দাখিলৰ সময়ত হাজাৰ হাজাৰ লোকে সংগ দিয়ে। ইফালে, প্ৰমোদ বড়োৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত পত্নী, মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিধায়ক জলেন দৈমাৰী আৰু কেইবাগৰাকীও ইউ পি পি এলৰ শীৰ্ষ নেতা উপস্থিত থাকে।

ইফালে, **কোকৰাঝাৰ** জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী লৰেন্স ইছলাৰী, দতমা সমষ্টিৰ ইউ পি পি এল প্ৰাৰ্থী ৰাজু কুমাৰ নাৰ্জাৰী, গোসাইগাওঁ সমষ্টিৰ প্ৰাৰ্থী অনিন্দা বসুমতাৰী, আৰু পৰ্বতঝোৰা সমষ্টিৰ ইউ পি পি এল প্ৰাৰ্থী আয়ুব হুছেইন মণ্ডলে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

**চিৰাং** জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আজি চিদলি চিৰাং সমষ্টিৰ ইউ পি পি এল প্ৰাৰ্থী ৰণজিৎ বসুমতাৰী, বিজনী বিধানসভা সমষ্টিৰ ইউ পি পি এল প্ৰাৰ্থী কমল সিং নাৰ্জাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে চিৰাং - চিদলি সমষ্টিৰ বি পি এফ দলৰ প্ৰাৰ্থী পানীৰাম ব্ৰহ্ম, আৰু বিজনী বিধানসভা সমষ্টিৰ এ আই ইউ দি এফ প্ৰাৰ্থী মুচুকা বসুমতাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ভৱানীপুৰ-সৰভোগ সমষ্টিত চি পি আই এম দলৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ গীতৰ কলি আওৰাই মনোনয়ন পত্ৰ দাখিল কৰে। সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী ৰণজিৎ কুমাৰ দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

ooooo

নিৰ্বাচন আয়োগে আজি আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে বিজ্ঞাপনৰ বিৱৰণ সন্দৰ্ভত এক বিশেষ নিৰ্দেশনা জাৰি কৰিছে। বিধানসভা নিৰ্বাচনত ৰাজনৈতিক দলসমূহে বিজ্ঞাপনসমূহ মিডিয়া প্ৰমাণিকৰণ আৰু মিডিয়া নিৰীক্ষণ সমিতিৰ দ্বাৰা পূৰ্ব প্ৰমাণীকৰণ কৰাৰ লগতে প্ৰাৰ্থীসকলে তেওঁলোকৰ সামাজিক মাধ্যমৰ একাউণ্টৰ বিৱৰণ প্ৰমাণ কৰিব লাগিব বুলি এই নিৰ্দেশনাত উল্লেখ কৰা হৈছে। যিকোনো পঞ্জীয়নভুক্ত ৰাজনৈতিক দল অথবা যিকোনো প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীয়ে বৈদ্যুতিন মাধ্যমত তথা সামাজিক মাধ্যমত যিকোনো ৰাজনৈতিক ববিজ্ঞাপন প্ৰকাশ কৰাৰ আগতে পূৰ্ব প্ৰমাণীকৰণৰ বাবে মিডিয়া প্ৰমাণীকৰণ আৰু মিডিয়া নিৰীক্ষণ সমিতিৰ ওচৰত আবেদন দাখিল কৰিব লাগিব। নিৰ্বাচন প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলে জিলা পৰ্যায়ৰ মিডিয়া প্ৰমাণীকৰণ আৰু মিডিয়া নিৰীক্ষণ সমিতিৰ ওচৰত বিজ্ঞাপনৰ প্ৰমাণিকৰণৰ আবেদন কৰিব লাগিব। এই আবেদনসমূহ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত দাখিল কৰিব লাগিব।

ooooo

নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি, ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে নিয়োজন কৰা পৰ্য্যবেক্ষকসকল ৰাজ্যৰ সকলো জিলাতে উপস্থিত হৈছে। এই পৰ্য্যবেক্ষকসকলৰ ভিতৰত সাধাৰণ আৰু আৰক্ষী পৰ্য্যবেক্ষকসকল আছে। এই পৰ্য্যবেক্ষকসকলে সমাগত নিৰ্বাচনী প্ৰক্ৰিয়া সুৰক্ষিত, স্বচ্ছ আৰু নিৰপেক্ষভাৱে সম্পন্ন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইতিমধ্যে তেওঁলোকে নিজ নিজ দায়িত্বস্থলীত উপস্থিত হৈ বিভিন্ন বিষয় পৰ্য্যালোচনা কৰিছে।

আমাৰ আকাশবাণীৰ বজালী জিলাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনত ইতিমধ্যে দেশৰ নিৰ্বাচন আয়োগে নিযুক্ত কৰা সাধাৰণ পৰ্যবেক্ষক, আৰক্ষী পৰ্যবেক্ষক আৰু ব্যয় পৰ্যবেক্ষকসকল উপস্থিত হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এই বিষয়াসকল জিলাখনতেই থাকিব বুলি জিলা নিৰ্বাচনী বিষয়াই

বিজ্ঞপ্তিৰ জৰিয়তে প্ৰকাশ কৰিছে। জিলা নিৰ্বাচনী বিষয়াই জনোৱা মতে জিলাখনৰ সাধাৰণ জনতা, প্ৰাৰ্থী, ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি অথবা যিকোনো ব্যক্তিয়ে বিধানসভা নিৰ্বচনৰ সৈতে জড়িত যিকোনো সমস্যা বা অভিযোগৰ ক্ষেত্ৰত পৰ্যবেক্ষকসকলক সাক্ষাৎ কৰিব পাৰিব। তেওঁলোকৰ সৈতে প্ৰতিদিনে দিনৰ ১১ বজাৰ পৰা ১২ বজালৈ যোগাযোগ কৰিব পাৰিব।

ooooo

যোৰহাট জিলা প্ৰশাসনৰ এছ ভি ই ই পি কোষৰ উদ্যোগত সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি ভোটাৰ সজাগতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে সৃজনিশীলতাৰ মাধ্যমেৰে জনসাধাৰণৰ মাজত ভোটদানৰ গুৰুত্ব সম্পৰ্কে সচেতনতা বৃদ্ধি কৰা। প্ৰতিযোগিতাখনত অংশগ্ৰহণকাৰী সকলে ডিজিটেল পোষ্টাৰ প্ৰস্তুতকৰণ, চিত্ৰাংকন আৰু শ্লোগান লিখন - এই তিনিটা শিতানত ভাগ ল'ব পাৰিব। ডিজিটেল পোষ্টাৰ আৰু শ্লোগান লিখনৰ ক্ষেত্ৰত প্ৰতিযোগীয়ে এককভাৱে আৰু চিত্ৰাংকন প্ৰতিযোগিতাত একক বা দলীয়ভাৱে ভাগ ল'ব পাৰিব। সকলো নাগৰিক তথা ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত উৎসাহেৰে যোগদান আৰু গণতান্ত্ৰিক ব্যৱস্থাক সাফল্যমণ্ডিত কৰিবলৈ এই প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি জিলা নিৰ্বাচনী কোষে প্ৰকাশ কৰিছে। এই প্ৰতিযোগিতাৰ বাবে নিৰ্ধাৰিত বিষয়বস্তু হৈছে - ভোটদাতাৰ সজাগতা। ইচ্ছুক প্ৰতিযোগীসকলে অহা ২৩ মাৰ্চৰ ভিতৰত প্ৰতিযোগিতাৰ প্ৰপত্ৰসমূহ জমা দিব লাগিব।

ooooo

সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বিভিন্ন সমষ্টিত ৰাজনৈতিক দলসমূহৰ প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ পাছতেই কেবাজনো প্ৰাৰ্থীয়ে আজি প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰিছে। কংগ্ৰেছ দলৰ পৰা পাকাবেতবাৰী সমষ্টিত প্ৰাৰ্থিত্ব লাভ কৰা জাকিৰ হুছেইন শিকদাৰে আজি নিজৰ সমষ্টিৰ সমৰ্থকসকলক লৈ ভেল্লাৰ পৰা সমদল উলিয়ায়। উল্লেখযোগ্য যে, সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত সৃষ্টি হোৱা পাকাবেতবাৰী সমষ্টিত ভেল্লা অঞ্চলটো নকৈ অন্তৰ্ভুক্ত হৈছে। সমদলৰ নেতৃত্ব দি পাকাবেতবাৰী সমষ্টিক সকলো ধৰণৰ সমস্যাৰ পৰা মুক্ত কৰি তোলাই এইবাৰৰ নিৰ্বাচনৰ মূল বিষয় হ'ব বুলি প্ৰাৰ্থী শিকদাৰে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পৰহিলৈ মানকাচৰ পৰিদৰ্শন কৰিব। ড০ শৰ্মাই প্ৰথমে মানকাচৰত উপস্থিত হৈ প্ৰাৰ্থী জাভেদ ইছলামৰ ঘৰত অগপ-বিজেপি কৰ্মীসকলৰ সৈতে নিৰ্বাচনী আলোচনাত অংশগ্ৰহণ কৰাৰ পাছত এটা নিৰ্বাচনী প্ৰচাৰ সমদলত ভাগ ল'ব। মানকাচৰ সমষ্টিত বিজেপি-অগপ মিত্ৰজোটৰ প্ৰাৰ্থী জাভেদ ইছলামৰ হৈ ড০ শৰ্মাই প্ৰচাৰ চলাব। ড০ শৰ্মাৰ মানকাচৰ পৰিদৰ্শনৰ পাছতেই অহা ২৩ মাৰ্চত জাভেদ ইছলামে মনোনয়ন পত্ৰ দাখিল কৰিব।

ooooo

অসম গণ পৰিষদ দলৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই আজি দলৰ সকলো বিষয়বাবৰ পৰা পদত্যাগ কৰিছে। ইতিমধ্যে শ্ৰীকলিতাই তেওঁৰ পদত্যাগপত্ৰ দলৰ সভাপতি অতুল বৰালৈ প্ৰেৰণ কৰিছে। অৱশ্যে প্ৰাথমিক সদস্য হিচাপে দলৰ প্ৰতি সেৱা আগবঢ়াই যাব বুলি তেওঁ পত্ৰখনত উল্লেখ কৰিছে। উল্লেখযোগ্য যে পূৰ্বৰ পশ্চিম গুৱাহাটী সমষ্টিৰ পৰা শ্ৰীকলিতা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। সমষ্টি পুনৰনিৰ্ধাৰণৰ ফলত

বৰ্তমান এই সমষ্টিটো মধ্য গুৱাহাটী হিচাপে পৰিগণিত হয় আৰু সমাগত নিৰ্বাচনৰ বাবে সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী বিজয় গুপ্তাক প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইপিনে, দিছপুৰ সমষ্টিত টিকটৰ পৰা বঞ্চিত বিজেপি দলৰ নেতা জয়ন্ত কুমাৰ দাসৰ বাসগৃহত আজি শীৰ্ষ বিজেপি নেতা সন্বিত পাত্ৰ উপস্থিত হৈ নেতাগৰাকীক বুজনি দিয়ে। উল্লেখযোগ্য যে টিকটৰ পৰা বঞ্চিত হোৱা দাসে দিছপুৰ সমষ্টিত নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ কথা কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছিল।

ooooo

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু গোচৰত চৰকাৰী পক্ষই কামৰূপ মহানগৰ জিলা আৰু চেচন আদালতত সকলো অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ সপক্ষে যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়াৰ অন্ত পৰিছে। ৰাজ্য চৰকাৰে মুক্তি দিয়া বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে আজি অভিযুক্তসকলৰ বিৰুদ্ধে ধাৰা আৰোপৰ সপক্ষে আদালতত যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়া সমাপন কৰে। ইয়াৰ পাছতে অভিযুক্ত অমৃত প্ৰভা মহন্তৰ হৈ অধিবক্তাই ধাৰা আৰোপৰ সন্দৰ্ভত চৰকাৰী পক্ষৰ ভাষ্যৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰে। এই সন্দৰ্ভত আংশিক শুনানিৰ অন্তত আদালতে অহা ২০ মাৰ্চত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। ইপিনে, গোচৰৰ পৰা ৰেহাই বিচাৰি অভিযুক্ত সন্দিপন গাৰ্গ, সিদ্ধাৰ্থ শৰ্মা, পৰেশ বৈশ্য, নন্দেশ্বৰ বৰা, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তই আদালতত পৃথকে পৃথকে আবেদন দাখিল কৰিছিল। এই আবেদনসমূহৰ বিৰুদ্ধে আজি বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে যুক্তি প্ৰদৰ্শন কৰে। অহা ৩০ মাৰ্চত এই সন্দৰ্ভত আদালতে পুনৰ শুনানি গ্ৰহণ কৰিব।

ooooo

পৱিত্ৰ ৰমজান মাহৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে কাইলৈ ঈদ-উল-ফিটৰ পালন কৰিব। কেন্দ্ৰীয় হিলাল কমিটীয়ে এই কথা ঘোষণা কৰিছে। কমিটীৰ অসমৰ সভাপতি মৌলানা শ্বেইখ ফখৰুউদ্দিন আহমদ কাছিমী আৰু সম্পাদক প্ৰধান আলহাজ ইমদাদ হুছেইনে এখন বিজ্ঞপ্তি যোগে কয়, যে কাইলৈ দেশৰ অন্যান্য অঞ্চলৰ লগতে অসমতো ঈদ পালন কৰা হ'ব। উল্লেখযোগ্য যে, ঈদ-উল-ফিটৰ উদযাপন উপলক্ষে ৰাজ্যৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক ব্যস্ততা পৰিলক্ষিত হৈছে।

ঈদৰ প্ৰাক্-মুহূৰ্তত দক্ষিণ শালমাৰা মানকাচৰ জিলাত ব্যাপক উৎসাহ উদ্দীপনাৰে ঈদৰ প্ৰস্তুতি চলি আছে। মানকাচৰৰ ঐতিহাসিক মিৰজুমলা ঈদগাহত প্ৰতি বছৰৰ দৰে কাইলৈ সমূহীয়াকৈ ঈদৰ নামাজ আদায় কৰা হ'ব। শ্ৰীভূমি জিলাৰ বিভিন্ন স্থানত ঈদ উপলক্ষে ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। জিলাখনৰ মুখ্য ঈদগাহসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। কৰিমগঞ্জ নগৰৰ ঈদগাহত আয়োজকসকলে ঈদৰ বিশেষ আয়োজন কৰিছে। এই ঈদগাহত কাইলৈ পুৱাৰ নামাজ আদায় কৰা হ'ব বুলি আমাৰ শ্ৰীভূমিৰ সংবাদদাতাই জনাইছে।

ooooo

ঃঃ সমাপ্ত ঃঃ